NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-03-2024
**Time :** 07.05 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। নিৰ্বাচন আয়োগে নিৰ্বাচনী বণ্ডৰ নম্বৰসহ সকলো তথ্য ৰাজহুৱা কৰিছে।

২। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক সুৰা নীতি কেলেংকাৰিৰ অভিযোগৰ গোচৰত বিধি বলৱৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰিছে।

৩। ভাৰতে হেইটিত আৱদ্ধ ভাৰতীয় নাগৰিকসকলক ডমিনিকান গণৰাজ্যলৈ সুকলমে আঁতৰাই নিয়াৰ বাবে ইন্দ্ৰাৱতী অভিযান আৰম্ভ কৰিছে।

৪। ভাৰতৰ কিদাম্বি শ্ৰীকান্ত, কিৰণ জৰ্জ আৰু প্ৰিয়াংশু ৰাজাৱটে ছুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণ আজি আৰম্ভ হ'ব।

0000000

নিৰ্বাচন আয়োগে কালি নিৰ্বাচনী বণ্ডৰ নম্বৰসহ সকলো তথ্য ৰাজহুৱা কৰে। এই নম্বৰৰ জৰিয়তে ক্ৰেতা আৰু ধন লাভ কৰা ৰাজনৈতিক দলৰ নাম মিলাই চাব পৰা যাব। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে ভাৰতীয় ষ্টেট বেংকে নিৰ্বাচনী বণ্ডৰ সবিশেষ দাখিল কৰাৰ পাছত আয়োগে ইয়াৰ ৱেব ছাইটত দাতা আৰু প্ৰাপ্‌কসকলৰ সুকীয়া তালিকা প্ৰকাশ কৰিছে।

0000000

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক সুৰা নীতি কেলেংকাৰিৰ অভিযোগৰ গোচৰত বিধি বলৱৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰিছে। শ্ৰী কেজৰিৱালক গ্ৰেপ্তাৰৰ পাছত বাসগৃহৰ পৰা নতুন দিল্লীস্থিত নিজৰ কাৰ্যালয়লৈ নিয়া হয়। ইয়াৰ পূৰ্বে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ এটা দলে কালি সন্ধিয়া মুখ্যমন্ত্ৰীগৰাকীৰ বাসগৃহত উপস্থিত হয় আৰু তালাচী চলায়।

বিধি বলৱৎকাৰী সঞ্চালকালয়ে দিল্লীৰ সুৰা নীতি সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত কেজৰিৱাললৈ ৯ বাৰকৈ চমন জাৰি কৰিছিল। অৱশ্যে মুখ্যমন্ত্ৰীগৰাকীয়ে এই চমনসমূহ অবৈধ আৰু ৰাজনৈতিকভাৱে উদ্দেশ্যপ্ৰণোদিত বুলি উল্লেখ কৰি সঞ্চালকালয়ৰ সন্মুখত হাজিৰ হোৱা নাছিল। দিল্লী উচ্চ ন্যায়ালয়ে কালি শ্ৰী কেজৰিৱালক বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ কোনো শাস্তিমূলক ব্যৱস্থাৰ পৰা সকাহ দিবলৈ অস্বীকাৰ কৰাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰা হয়। ইফালে, আম আদমী পাৰ্টীৰ নেতা তথা দিল্লীৰ মন্ত্ৰী আতিশীয়ে কৈছে যে তেওঁৰ দলে কেজৰিৱালৰ গ্ৰেপ্তাৰ প্ৰত্যাহাৰ কৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব। তেওঁ কয় যে দলে বিষয়টো সন্দৰ্ভত ততালিকে শুনানি গ্ৰহণ কৰিবলৈ উচ্চতম ন্যায়ালয়ক অনুৰোধ জনাইছে।

অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰ সন্দৰ্ভত বিজেপিৰ জ্যেষ্ঠ নেতা ৰবিশংকৰ প্ৰসাদে কৈছে যে এয়া দুৰ্নীতিৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণৰ বাবে লোৱা আইনী প্ৰক্ৰিয়া। আইনক নিজৰ কাম কৰিব দিব লাগে বুলিও তেওঁ মন্তব্য কৰে।

ইফালে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভাদ্ৰাই অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰক ভুল আৰু অসাংবিধানিক বুলি আখ্যা দিছে। তেওঁ কৈছে যে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক নিৰ্বাচনৰ বাবে এইধৰণে আক্ৰমণৰ লক্ষ্য কৰি লোৱাটো সম্পূৰ্ণৰূপে ভুল আৰু অসাংবিধানিক।

০০০০০০০

ভাৰতে হেইটিত আৱদ্ধ ভাৰতীয় নাগৰিকসকলক ডমিনিকান গণৰাজ্যলৈ সুকলমে আঁতৰাই নিয়াৰ বাবে ইন্দ্ৰাৱতী অভিযান আৰম্ভ কৰিছে। বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰে সামাজিক মাধ্যমযোগে কৈছে যে কালি ১২ গৰাকী ভাৰতীয়ক নিৰাপদে আঁতৰাই অনা হয়। তেওঁ কয় যে বিদেশত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা আৰু কল্যাণৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ। তেওঁ লগতে এইক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে ডমিনিকান গণৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

কংগ্ৰেছে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৫৭ গৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি অৰুণাচল প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নবাম তুকীয়ে অৰুণাচল পশ্চিম সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বিপৰীতে পুডুচেৰীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৱেইটিলিংগম পুডুচেৰী সংসদীয় সমষ্টিৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। বৰ্তমানৰ লোকসভাত কংগ্ৰেছ দলৰ নেতা অধীৰ ৰঞ্জন চৌধৰীয়ে পশ্চিমবংগৰ বহৰামপুৰ সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০০০০০

ভাৰতৰ কিদাম্বি শ্ৰীকান্ত, কিৰণ জৰ্জ আৰু প্ৰিয়াংশু ৰাজাৱটে ছুইজাৰলেণ্ডৰ বেছেলত অনুষ্ঠিত ছুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। শ্ৰীকান্তে কালি মালয়েছিয়াৰ লি জি জিয়াক ২১-১৬, ২১-১৫ গেমত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে যুৱ খেলুৱৈ কিৰণ জৰ্জে প্ৰথম গেমত পৰাজিত হোৱা সত্ত্বেও পাছৰ দুটা গেম হস্তগত কৰি ১৮-২১, ২২-২০, ২১-১৮ ফলাফলেৰে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। আনহাতে, প্ৰিয়াংশু ৰাজাৱটে চীনৰ লেই-লেংছিক ২১-১৪, ২১-১৩ পোনপটীয়া গেমত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ গায়ত্ৰী গোপীচন্দ আৰু ত্ৰিশা জলীৰ যুটিটোৱে প্ৰতিযোগিতাৰ মহিলাৰ ডাবল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। গায়ত্ৰী আৰু ত্ৰিশাৰ যুটিটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত সতীৰ্থ খেলুৱৈ প্ৰিয়া কনজেংবাম আৰু শ্ৰুতি মিশ্ৰাৰ যুটিটোক ২১-১০, ২১-১২ পোনপটীয়া গেমত পৰাস্ত কৰে।

০০০০০০০

ভাৰতীয় অলিম্পিক সংস্থাই প্ৰবীণ টেবল টেনিছ খেলুৱৈ অচন্তা শৰথ কমলক আসন্ন পেৰিছ অলিম্পিকত ভাৰতীয় দলৰ ধ্বজাবাহক হিচাপে ঘোষণা কৰিছে। ভাৰতীয় অলিম্পিক সংস্থাই লগতে অলিম্পিকত ব্ৰঞ্জৰ পদক

বিজেতা তথা কেইবাবাৰো বিশ্ব বক্সিং চেম্পিয়নশ্বিপত খিতাপ অৰ্জন কৰা মেৰীকমক Chef de Mission হিচাপে ঘোষণা কৰিছে। ছবাৰকৈ অলিম্পিকত অংশগ্ৰহণ কৰা আৰু শীতকালীন অলিম্পিক ক্ৰীড়া মহোৎসৱৰ luge শিতানত ভাগ লোৱা প্ৰথমগৰাকী ভাৰতীয় প্ৰতিনিধি শিৱ কেশৱন deputy Chef de Mission হ'ব। গগন নাৰঙে ভাৰতীয় শ্বুটিং দলক নেতৃত্ব দিব। আনহাতে, ডাঃ দিনশ্ব' পাৰ্ডিৱালাক মুখ্য চিকিৎসা বিষয়াৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

ভাৰতীয় অলিম্পিক সংস্থাই এটা বিবৃতিযোগে কৈছে যে অভিজ্ঞতা, বিশেষ দক্ষতা আৰু নেতৃত্বৰ আধাৰত এই লোকসকলক নিয়োগ কৰা হৈছে আৰু তেওঁলোকে অলিম্পিকত ভাৰতীয় খেলুৱৈসকলৰ সফলতাত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব। কমল ২০২২ চনৰ বাৰ্মিংহাম কমনৱেল্থ গেমছৰ সামৰণি অনুষ্ঠানত ভাৰতৰ ধ্বজাবাহক আছিল আৰু  এই প্ৰতিযোগিতাত তেওঁ তিনিটা সোণৰ পদক অৰ্জন কৰিছিল। একেদৰে মেৰীকম আৰু হকী দলৰ প্ৰাক্তন অধিনায়ক মনপ্ৰীত সিং ২০২০ চনৰ টকিঅ' গেমছত ভাৰতৰ ধ্বজাবাহক আছিল।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণ আজি আৰম্ভ হ'ব। চেন্নাইত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। টী-টুৱেণ্টী বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পূৰ্বে হ'বলগীয়া এইবাৰৰ আই পি এলৰ সংস্কৰণে বিশেষ গুৰুত্ব বহন কৰিছে। তদুপৰি নিলামৰ পূৰ্বে এই সংস্কৰণ চূড়ান্ত হিচাপে পৰিগণিত হৈছে।

ইপিনে, গুৱাহাটীৰ বৰ্ষাপাৰাৰ ক্ৰিকেট ষ্টেডিয়ামত অহা মে'ত দুখন আই পি এলৰ খেল অনুষ্ঠিত হ'ব। ৰাজস্থান ৰয়েল্ছৰ অধ্যক্ষ অসমৰ ৰঞ্জিত বৰঠাকুৰে এই বিষয়ে প্ৰকাশ কৰিছে। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বি চি চি আয়ে প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক সূচীহে ঘোষণা কৰিছে। অহা সপ্তাহত লীগৰ পৰৱৰ্তী কাৰ্যসূচী প্ৰকাশ কৰা হ'ব। ইফালে, ব'ৰ্ডৰ সচিব জয় শ্বাহে এইবাৰ আই পি এলৰ সকলো খেল ভাৰততে হ'ব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পূৰ্বে অহা ৫ আৰু ১৬ মে'ত বৰ্ষাপাৰাত দুখন খেল হোৱাৰ কথা আছিল যদিও নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মে'ৰ তৃতীয় বা চতুৰ্থ সপ্তাহত খেল দুখন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ৰাজস্থান ৰয়েল্ছে এইবাৰ আই পি এলত ২৪ মাৰ্চত জয়পুৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব।

00000000

এম এছ ধোনীয়ে কালি ৰুতুৰাজ গায়কোৱাডক চেন্নাই ছুপাৰ কিংছৰ অধিনায়কত্বৰ দায়িত্ব অৰ্পন কৰে। ধোনীয়ে এইবাৰকে ধৰি  দ্বিতীয়বাৰৰ বাবে অধিনায়কৰ দায়িত্বৰ পৰা অব্যাহতি লৈছে। ইয়াৰপূৰ্বে খেলুৱৈগৰাকীয়ে ২০২২ চনত ৰবীন্দ্ৰ জাদেজাক অধিনায়কৰ দায়িত্ব অৰ্পন কৰিছিল।

0000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ২৫ মাৰ্চ পৰ্যন্ত অৰুণাচল প্ৰদেশত বৰষুণ বৃদ্ধি পাব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত বংগোপসাগৰৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ দক্ষিণা বতাহৰ বাবে জলীয় বাষ্পৰ পৰিমাণ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞানে কৈছে যে ইয়াৰ প্ৰভাৱত অৰুণাচল প্ৰদেশত ২৫ মাৰ্চলৈকে বিজুলী ঢেৰেকনীৰে বৰষুণ হ'ব পাৰে। ৰাজ্যখনৰ ঠাইবিশেষে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলিও বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

0000

সমাপ্ত